CBCS এর অনুসারে

2nd Seme

2nd paper (বাংলা ব্যাকরণ)

চতুর্থ কোর্সে 20 নম্বরের জন্য:

চর্যাপদের ভাষা বৈশিষ্ট্য

প্ৰতিটো বস্তুৱেই চুটিগল্পৰ বিষয় হ'ব পাৰে।"[১] চৰ্ত বুলিবলৈ কেৱল এটা— চুটিগল্পৰ পথিলাটো মাথোন এটা ফুলতেই বহিব লাগিব ! চুটিগল্পৰ আনন্দ মাথোন একেটি ফুলৰ মধুগ্ৰহণতেই শেষ। সেইবাবে, চুটিগল্পত উপন্যাসৰ পৰিপূৰ্ণ পৰিতৃপ্তি নাই, আছে অসম্পূৰ্ণ তৃপ্তিৰ ব্যাকুলতামিহলি স্মৃতি; ভিন্ন প্ৰসংগত ৰবীন্দ্ৰনাথে ক'বৰ দৰে—"শেষ কৰি ভাব হ'ব, শেষ হৈয়ো নহ'লে যে শেষ !"[২]

পোনপটীয়াকৈ ক'বলৈ হ'লে, উপন্যাস আৰু চুটিগল্পৰ পাৰ্থক্য মূঠেই বহিৰাশ্ৰয়ী নহয়। দুয়োবিধ সাহিত্যৰূপৰ মাজত এক মৌল প্ৰভেদ বৰ্তমান। সেয়েহে, 'ৱাৰ্ল্ড'ছ গ্ৰেটেষ্ট নভেলছ ইন ডাইজেষ্ট্ ফৰ্ম'ৰ সাৰাংশসমূহ চুটিগল্প নহয়, যদিও সেই সাৰাংশবোৰ দুহেজাৰৰ পৰা তিনিহেজাৰ শব্দৰ ভিতৰতে পৰিৱেশিত। আনহাতে, বহুত চুটিগল্প আছে, যিবোৰ চুটিগল্প 'ডাইজেষ্ট্ নভেল'বোৰতকৈ বহু বেচি দীঘল; আনকি, কেতিয়াবা তেনেকুৱা একোটা চুটিগল্পই আলবেয়াৰ কামুৰ 'দ্য আউট্‌-চাইডাৰ'ৰ নিচিনা একোখন সম্পূৰ্ণ উপন্যাসকো গিলি থ'ব পাৰে। আচল কথাষাৰ হ'ল, আয়তনৰ কৃশতা-বিপুলতা নিৰ্ভৰ কৰে গল্পটোৰ ভাববস্তুৰ ওপৰত। উল্লেখযোগ্য যে, বিষয়বস্তু আৰু ৰূপবিন্যাস একান্তভাৱে চুটিগল্পৰেই হোৱা সত্ত্বেও মোপাচাঁৰ 'বুল চুইফ্' আৰু হেমিংৱেৰ 'ফ্ৰেন্সিচ মেকেম্বাৰ্চ্ছ লাইফ অব এ ফিউ হেপ্পী ডেইজ্' ভাববস্তুৰ প্ৰয়োজনতে একোখন সৰুসুৰা উপন্যাসৰ সমানে দীঘল। মোপাচাঁৰ 'বে'ল আমি' আৰু হেমিংৱেৰ 'অ'ল্ড মেন এণ্ড দ্য ছী' নামৰ উপন্যাস দুখন চুটিগল্প দুটাতকৈ চুটি হ'লেও দীঘল নহয়। মানি ল'ব লাগিব, ৰসভংগৰ দায়িত্ব গ্ৰহণ নকৰাকৈ চুটিগল্প দুটা চুটিকৈ লিখাৰ উপায় মোপাচাঁৰো নাছিল, হেমিংৱেৰো নাছিল। কিন্তু প্ৰশ্নটো হ'ল, লগৰ সমান নোদোকা কাহিনী দুটা যে উপন্যাস হ'বলৈ পালে, সিহঁত দুটা কেনেকৈ চুটিগল্প হৈয়েই ৰ'ল ? উত্তৰটো দিছে, ব্ৰাণ্ডেৰ মেথ্যুজে। তেওঁৰ কথাৰ সাৰমৰ্ম হ'ল : উপন্যাসত চিত্ৰিত হয়, গোটেইটো জীৱন; আৰু, চুটিগল্পত প্ৰতিফলিত হয়, 'এচকল জীৱন'[৩]। জীৱনৰ খণ্ডাংশৰ ছবি বুলিয়েই মোপাঁচা আৰু হেমিংৱেৰ দীঘল গল্প দুটাও ৰসৰ বিচাৰত চুটিগল্পই !

চুটি। তথাপি, ই চুটিগল্প নহয়। এটা মাথোন অংক থকা নাটকমাত্ৰেই যিদৰে অংকীয়া নাট নহয়, চুটিকৈ লিখা গল্পমাত্ৰেই সেইদৰে চুটিগল্প নহয়।

চুটিগল্প আপোন চৰিত্ৰবৈশিষ্ট্যৰ মহিমাৰে মণ্ডিত এক স্বতন্ত্ৰ সাহিত্যৰূপ। আৰু, এই স্বতন্ত্ৰ সাহিত্যৰূপৰ চৰিত্ৰবৈশিষ্ট্য অথবা স্বৰূপ উপলব্ধি কৰিবলৈ হ'লে ইয়াৰ লগত তুলনা কৰি চোৱাৰ প্ৰয়োজন উপন্যাসৰ, যিটো সাহিত্যৰূপৰো উপকৰণ একেই গল্প। উপন্যাস যেন এক অতিকায় অজগৰ। অলসমন্থৰ তাৰ গতি, আৰু বিচিত্ৰ তাৰ দেহৰ সৌন্দৰ্য। বিচৰণৰ ক্ষেত্ৰ তাৰ বিশাল এক অৰণ্য। স্বাভাৱিকতে, তাৰ ভ্ৰমণৰ প্ৰতিটো অধ্যায়ত ছাঁ-পোহৰৰ বিচিত্ৰ লীলাখেলাই তাৰ সৌন্দৰ্যক আৰু বেচি মোহময় কৰি তোলে। আনহাতে, চুটিগল্প যেন এটি পাখিলাহী পখিলা। নাচি নাচি উৰি আহে, এক লহমাৰ বাবে এটা ফুলৰ পাহিত বহি মৌ চোঁহে, তাৰ পাচত উৰামাৰি কোনোবাখন পায়গৈ। আমাৰ চকুৰে বন্দী কৰিব পাৰে মাথোন তাৰ এক লহমাৰ আকণ্ঠ মধুপান।

উপমাৰ আশ্ৰয় নোলোৱাকৈ উকা ভাষাৰে ক'বলৈ হ'লে, উপন্যাসৰ গল্প হ'ল জীৱনৰ বহু বিচিত্ৰ সম্পৰ্কেৰে সম্পৰ্কিত এক বা একাধিক ব্যক্তিৰ পূৰ্ণবৃত্ত কাহিনী; আৰু চুটিগল্পৰ অৱলম্বন হ'ল, সেই বিস্তৃত জীৱনপ্ৰবাহত ভাঁহি উঠা এটি স্বৰ্ণিল মুহূৰ্ত অথবা এটা উজ্জ্বল ঘটনা। সেইবাবেই, এটাৰ গতি অতি শ্লথ আৰু মন্থৰ, আনটোৰ গতি খৰ আৰু চঞ্চল। ভাষাও সেইদৰে এটাৰ ক্ষেত্ৰত বৰ্ণবহুল বৰ্ণনামুখৰ আৰু আনটোৰ কৃপণ ব্যঞ্জনাময়।

নক'লেও হ'ব, উপন্যাসত চৰিত্ৰৰ দীৰ্ঘ পৰিক্ৰমা আৰু জটিল বিৱৰ্তনেই নহয়, অনেক সময়ত দৰ্শন, ইতিহাস আৰু মনস্তত্ত্ব সম্পৰ্কীয় বহু বিচিত্ৰ বিষয়ৰো সমাৱেশ পৰিলক্ষিত হয়। কাহিনীও সেইদৰে যথেষ্ট শাখা-প্ৰশাখাৰে ভাৰাক্ৰান্ত আৰু অজস্ৰ পল্লৱেৰে পল্লৱিত হৈ থাকে। কিন্তু, চুটিগল্পৰ সংকীৰ্ণ পৰিসৰত ইমান অধিক বিভিন্নগন্ধী বিষয় আৰু জটিল বৈচিত্ৰ্যৰ বাবে ঠাই নাই। যি কোনো চুটিগল্পৰে অৱলম্বন মাথোন এটা, হওক সি তুচ্ছাতিতুচ্ছ, কোনো ক্ষতি নাই। এগৰাকী বিখ্যাত চুটিগল্পকাৰ এইচ. ই. বে'ট্‌ছৰ ভাষাত, "যি কোনো বস্তু—এটা ঘোঁৰাৰ মৃত্যুৰ পৰা আৰম্ভ কৰি এগৰাকী গাভৰুৰ প্ৰথম প্ৰেমলৈকে, এটা ফুলৰ পাপৰি মেল খোৱাৰ পৰা আৰম্ভ কৰি এটা প্ৰচণ্ড ভূমিকম্পলৈকে—সূৰ্যৰ পোহৰত দেখা